**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-MAY-2026
**Time :** 0900 HRS

***Assamese Morning Bulletin***

---

১। নতুন চৰকাৰৰ দায়িত্ব গ্ৰহণৰ পাছতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ বিভিন্ন বিভাগৰ সৈতে পৰ্যালোচনা বৈঠক।
২। ষোড়শ অসম বিধানসভাৰ বাজেট অধিবেশন জুলাইৰ প্ৰথম সপ্তাহত অনুষ্ঠিত হ'ব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।
৩। নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে যাৱতীয় প্ৰস্তুতি আৰম্ভ।
৪। পেট্ৰ'লৰ ৰপ্তানিৰ প্ৰতি লিটাৰত তিনি টকাকৈ বিশেষ অতিৰিক্ত আবকাৰী শুল্ক আৰোপ। **আৰু**
৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশাৰ এখন খেলত চেন্নাই চুপাৰ কিংছৰ বিৰুদ্ধে লক্ষ্ণৌ চুপাৰ জায়েণ্টছৰ ৭ উইকেটত জয়লাভ।

০০০০০০

ৰাজ্যত নতুন চৰকাৰে দায়িত্ব গ্ৰহণৰ পাছতে চৰকাৰৰ কাম-কাজ তথা উন্নয়নমূলক পদক্ষেপসমূহক নতুন গতি প্ৰদানৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি কেইবাখনো বিভাগীয় বৈঠকত মিলিত হয়। মুখ্যমন্ত্ৰীয়ে খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ সৈতে হোৱা বৈঠকত কৃষকসকলৰ পৰা ধান সংগ্ৰহৰ স্থিতি মূল্যায়ন কৰে। তেওঁ বিষয়াসকলক কৃষকসকলৰ পৰা ধান ক্ৰয়ৰ প্ৰক্ৰিয়া অধিক সহজ কৰি তুলিবলৈ পৰামৰ্শ দিয়ে। ড০ শৰ্মাই লগতে কৃষকসকলে তেওঁলোকৰ কঠোৰ পৰিশ্ৰমৰ বাবে উচিত মূল্য লাভ কৰাটো নিশ্চিত কৰি এইবাৰো ধান ক্ৰয়ত অধিক গুৰুত্ব দিবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে। বিত্ত বিভাগৰ সৈতে হোৱা আন এখন বৈঠকত মুখ্যমন্ত্ৰী শৰ্মাই ৰাজ্য চৰকাৰৰ ধবজাবাহী আঁচনিসমূহৰ স্থিতি পৰ্যালোচনা কৰাৰ উপৰি সমাগত বাজেট অধিবেশনৰ পূৰ্বে ৰাজ্যৰ বিত্তীয় ব্যৱস্থা তথা জনসাধাৰণৰ প্ৰস্তুতি পূৰণৰ বিভিন্ন দিশ সন্দৰ্ভত আলোকপাত কৰে। মুখ্যমন্ত্ৰীয়ে লোকনিৰ্মাণ বিভাগৰ সৈতেও বৈঠকত মিলিত হয়। তেওঁ অসম মালাকে ধৰি ৰাজ্যৰ মুখ্য যোগাযোগ আঁচনিসমূহৰ অগ্ৰগতি পৰ্যালোচনা কৰি বিষয়াসকলক পথ আৰু দলং নিৰ্মাণৰ কাম ত্বৰান্বিত কৰাৰ লগতে ইয়াৰ গুণগত মানত গুৰুত্ব আৰোপ কৰিবলৈ আহ্বান জনায়।

০০০০০০

ষোড়শ অসম বিধানসভাৰ বাজেট অধিবেশন জুলাইৰ প্ৰথম সপ্তাহত অনুষ্ঠিত হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। কালি বটদ্ৰৱাত সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীয়ে এই সন্দৰ্ভত কয়, যে বাজেট প্ৰস্তুতৰ বাবে বিভিন্ন বিভাগৰ সৈতে এই বিষয়ত আলোচনা কৰা হৈছে। তদুপৰি বিধানসভা নিৰ্বাচনৰ পূৰ্বে এইক্ষেত্ৰত লাভ কৰা পৰামৰ্শসমূহো পৰ্যালোচনা কৰা হৈছে বুলি ড০ শৰ্মাই প্ৰকাশ কৰে। তেওঁ কয়, যে এতিয়ালৈকে ৰূপায়ণ নোহোৱা প্ৰকল্প আৰু ৰূপায়ণৰ বাবে চিন্তা-চৰ্চা কৰি থকা প্ৰকল্পৰ সন্দৰ্ভতো আলোচনা কৰা হৈছে। শেহতীয়া নিৰ্বাচনত বিপুল সংখ্যাগৰিষ্ঠতাৰে জয়লাভ কৰাৰ পাছত চৰকাৰৰ প্ৰতি জনসাধাৰণৰ আশা-আকাংক্ষাও নিশ্চিতভাৱে বৃদ্ধি হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে ইয়াৰ ফলত চৰকাৰৰ দায়বদ্ধতাও বৃদ্ধি পাব।

০০০০০০

অসম চুক্তি ৰূপায়ণ বিভাগৰ দায়িত্ব লাভৰ পাছতে মন্ত্ৰী অতুল বৰাই কালি গুৱাহাটীৰ পশ্চিম বৰাগাঁৱৰ শ্বহীদ স্মাৰক ক্ষেত্ৰত অসম আন্দোলনৰ ছহিদসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। শ্ৰীবৰাই ড০ হিমন্ত বিশ্ব শৰ্মা

নেতৃত্বাধীন চৰকাৰৰ মন্ত্ৰীসভাৰ সদস্য হিচাপে পুনৰবাৰ এই বিভাগৰ দায়িত্ব লাভ কৰিছে। কালি বিভাগীয় বিষয়াসকলৰ সৈতে শ্বহীদ স্মাৰক ক্ষেত্ৰত উপস্থিত হৈ মন্ত্ৰীগৰাকীয়ে কয়, যে অসম চুক্তিৰ ৬ নম্বৰ দফা ৰূপায়ণৰ বাবে গঠন কৰা অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা সমিতিয়ে জনোৱা অনুমোদনসমূহ কাৰ্যকৰী কৰিবলৈ পূৰ্বৰ চৰকাৰে মন্ত্ৰীসভাত সিদ্ধান্ত গ্ৰহণ কৰিছিল। এইবাৰ তেওঁ বাকী ৰোৱা কামখিনি সম্পূৰ্ণ কৰাৰ বাবে আগবাঢ়িব বুলি শ্ৰীবৰাই সাংবাদিকৰ আগত প্ৰকাশ কৰে।

**বাইট (অতুল বৰা)**

০০০০০০

বিধানসভা নিৰ্বাচনৰ পাছতে শাসনাধিষ্ঠিত বিজেপিয়ে নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে যাৱতীয় প্ৰস্তুতি আৰম্ভ কৰিছে। ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই কালি এখন জাননীৰ জৰিয়তে নগাঁও লোকসভা উপ-নিৰ্বাচন পৰিচালনাৰ বাবে বিধায়ক পীযূষ হাজৰিকাক আহ্বায়ক হিচাপে লৈ এখন সমিতি গঠন কৰিছে। সমিতিখনত সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়ক প্ৰদ্যুৎ বৰদলৈ, দিপ্লুৰঞ্জন শৰ্মাকে ধৰি ১১জনক সদস্য হিচাপে ৰখা হৈছে। উল্লেখযোগ্য যে নগাঁও লোকসভা সমষ্টিৰ সাংসদ হৈ থকা অৱস্থাতে প্ৰদ্যুৎ বৰদলৈয়ে বিজেপিৰ প্ৰাৰ্থী হিচাপে দিছপুৰ বিধানসভা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰি জয়ী হৈছিল। সেয়ে অহা ছমাহৰ ভিতৰতে সমষ্টিটোৰ বাবে উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০০

চৰকাৰে পেট্ৰ'লৰ ৰপ্তানিৰ প্ৰতি লিটাৰত ৩ টকাকৈ বিশেষ অতিৰিক্ত আবকাৰী শুল্ক আৰোপ কৰিছে। বিত্ত মন্ত্ৰালয়ে এই সন্দৰ্ভত কালি জাৰি অধিসূচনা অনুসৰি ডিজেলৰ ৰপ্তানিত বিশেষ অতিৰিক্ত আবকাৰী শুল্ক প্ৰতি লিটাৰত ২৩ টকাৰ পৰা ১৬ টকা ৫০ পইচালৈ হ্ৰাস কৰা হৈছে। একেদৰে বিমানৰ টাৰ্বাইন ইন্ধনতো বিশেষ অতিৰিক্ত আবকাৰী শুল্ক প্ৰতি লিটাৰত ৩৩ টকাৰ পৰা ১৬ টকালৈ হ্ৰাস কৰা হৈছে। এই সংশোধিত মূল্য আজিৰে পৰা পৰৱৰ্তী দুসপ্তাহৰ বাবে প্ৰযোজ্য হ'ব।

০০০০০০

বি টি এ ডি অঞ্চলত পৰীক্ষাত কৃতিত্ব অৰ্জন কৰা শিক্ষাৰ্থীসকলক আৰ্থিক অনুদান দিয়া হ'ব। এই অনুসৰি হাইস্কুল শিক্ষান্ত পৰীক্ষাত মাতৃভাষাত ১০০ নম্বৰকৈ লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক ৩ লাখ টকাকৈ আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত শীৰ্ষ ১০ জনৰ ভিতৰত স্থান পোৱা শিক্ষাৰ্থীসকলক ৫ লাখ টকাকৈ আৰ্থিক অনুদান আগবঢ়োৱা হ'ব। বাক্সা জিলাৰ ককলাবাৰী ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি বি টি চিৰ শিক্ষা বিভাগৰ কাৰ্যবাহী সদস্য ৰবিৰাম নাৰ্জাৰীয়ে এই কথা প্ৰকাশ কৰে। ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে জিলাখনৰ ককলাবাৰী ছোৱালী হাইস্কুলক উচ্চতৰ মাধ্যমিক বিদ্যালয় হিচাপে উন্নীত কৰাৰ পাছত কালি বিদ্যালয়খনৰ একাদশ শ্ৰেণীৰ এটা শ্ৰেণীকোঠা মুকলি অনুষ্ঠানত ৰবিৰাম নাৰ্জাৰীয়ে অংশগ্ৰহণ কৰে। শিক্ষা বিভাগৰ কাৰ্যবাহী সদস্য ৰবিৰাম নাৰ্জাৰীয়ে সংবাদ মাধ্যমৰ আগত কয়, যে বি টি এ ডি অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক দিশ উত্তৰণৰ বাবে অসমীয়া, বড়ো, বাংলা, সংস্কৃত আৰু আৰবী বিষয়ক মাতৃভাষা হিচাপে লৈ ১০০ নম্বৰ লাভ কৰিবলৈ সমৰ্থ হোৱা কৃতি ছাত্ৰ-ছাত্ৰীসকলক এই অনুদান আগবঢ়োৱা হ'ব।

**বাইট**

অনুষ্ঠানত বি টি চিৰ উপ-মুখ্য কাৰ্যবাহী সদস্য ৰিহণ দৈমাৰী উপস্থিত থাকে। অহা জুনত শিক্ষাৰ্থীসকলক এই অনুদানৰ ধন প্ৰদান কৰা হ'ব।

০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত বৃহস্পতিবাৰৰ নিশাৰে পৰা হোৱা ধাৰাসাৰ বৰষুণৰ ফলত বহু অঞ্চল জলমগ্ন হৈ পৰাৰ লগতে জনসাধাৰণে বিভিন্ন সমস্যাৰ সন্মুখীন হোৱাৰ বাতৰি আমালৈ আহিছে।

হাইলাকান্দিত প্ৰবল বৰষুণৰ ফলত কালি পাঁচগ্ৰামৰ পৰা মুকামকুটি সংযোগী পথৰ ওপৰত থকা এখন দলং ভাঙি পৰে। আমাৰ হাইলাকান্দিৰ সংবাদদাতাই জনোৱা মতে কেইবাখনো গাঁৱৰ লোকে দৈনিক যাতায়াত কৰা এই পথৰ দলংখন ভাঙি পৰাৰ ফলত সম্প্ৰতি অঞ্চল দুটাৰ মাজত যোগাযোগ বিচ্ছিন্ন হৈ পৰাত স্থানীয় লোকসকল যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে।

শ্ৰীভূমি জিলাত ধাৰাসাৰ বৰষুণৰ ফলত জিলাখনৰ নদ-নদীসমূহৰ জলস্তৰ বৃদ্ধি পাইছে। ৰাস্তা-ঘাটতো একাঁঠু পৰ্যন্ত পানী হোৱাত ৰাইজে দুৰ্ভোগৰ সন্মুখীন হ'বলগীয়া হৈছে। জলবন্দী হৈ পৰা লোকসকলক এছ ডি আৰ এফ বাহিনীয়ে উদ্ধাৰৰ বাবে অভিযান চলায়। এছ ডি আৰ এফ তথা অগ্নি আৰু তাৎক্ষণিক সেৱা বাহিনীয়ে কালি দিনজোৱা অভিযান চলাই জলমগ্ন অঞ্চলৰ পৰা পশুধনসহ ২৭৬ জন লোকক উদ্ধাৰ কৰে।

ইপিনে, বাৰিষা কালত হ'ব পৰা বিভিন্ন সমস্যা প্ৰস্তুতিৰ পৰ্যালোচনাৰ উদ্দেশ্যে কালি শদিয়া সমজিলা আয়ুক্তৰ অধ্যক্ষতাত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত সকলো বিভাগৰ মুৰববী আৰু শদিয়া আৰক্ষী প্ৰশাসনৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

000000

ভাৰত চৰকাৰৰ গৃহ পৰিক্ৰমা বিভাগৰ নিৰ্দেশমৰ্মে ৰাজ্যৰ বিভিন্ন স্থানত জৰুৰীকালীন সুৰক্ষাৰ আখৰা চলি আছে। সেই অনুসৰি আজি **শিৱসাগৰ** নগৰৰ কেন্দ্ৰীয় বজাৰ আৰু হাইষ্ট্ৰীট মলত হ'বলগীয়া এই অনুশীলনৰ সময়ত চাইৰেণ বজোৱা, ব্লেকআউট আৰু উদ্ধাৰ কাৰ্যৰ আখৰা কৰা হ'ব। জিলা প্ৰশাসনে এই কাৰ্যসূচীত জনসাধাৰণক সহযোগিতা আগবঢ়াবলৈ আহ্বান জনোৱাৰ উপৰি সন্ধিয়া ৭ বজাৰ পাছত ২ মিনিটৰ বাবে ঘৰৰ বিজুলীবাতি নুমাবলৈ আহ্বান জনাইছে।

ডিব্ৰুগড় জিলা প্ৰশাসনৰ উদ্যোগতো আজি জিলাখনৰ কোল ৰোডত জৰুৰীকালীন সুৰক্ষাৰ আখৰা কৰা হ'ব। জৰুৰীকালীন অৱস্থাত চৰকাৰী বিভাগসমূহৰ কাৰ্যদক্ষতা পৰীক্ষা কৰা আৰু জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই কাৰ্যসূচীৰ অংশ হিচাপে সন্ধিয়া চাৰে চয় বজাত প্ৰথমটো বিপদ সংকেত বাজি উঠাৰ লগে লগে জনসাধাৰণক বিজুলী বাতিসমূহ নুমুৱাই নিৰাপদ স্থানত আশ্ৰয় ল'বলৈ আহ্বান জনোৱা হৈছে। প্ৰায় ১৫ মিনিটৰ পাছত দ্বিতীয়টো সংকেত বাজি উঠিলেহে বিজুলীবাতি পুনৰ জ্বলাব পাৰিব। এই অনুশীলনৰ সময়ত সৃষ্টি হোৱা শব্দত আতংকিত নহ'বলৈ প্ৰশাসনে জনসাধাৰণক আহ্বান জনাইছে।

একেদৰে দৰং জিলাৰ সদৰ মঙলদৈৰ টেঙাবাৰী ৬ নম্বৰ ৱাৰ্ডত থকা ট্ৰেন্স শ্বপিং মল প্ৰাংগনত আজি এই অনুশীলন অনুষ্ঠিত হ'ব। অনুশীলনৰ প্ৰস্তুতি সন্দৰ্ভত জিলা আয়ুক্তৰ সভাপতিত্বত কালি এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়।

000000

ডিব্ৰুগড়ত সদৌ অসম আহোম সভাৰ ১৬৪ সংখ্যক প্ৰতিষ্ঠা দিৱস কালি দিনজোৱা কাৰ্যসূচীৰে পালন কৰা হয়। ডিব্ৰুগড় জিলা ন্যায়ালয়ৰ সন্মুখত থকা সাহিত্য কাণ্ডাৰী আৰু আহোম সভাৰ প্ৰতিষ্ঠাপক সভাপতি ডাম চাও পদ্মনাথ গোহাঞি বৰুৱা উদ্যানত এই কাৰ্যসূচী অনুষ্ঠিত হয়। স্থানীয় মলুংসকলে বন্তি প্ৰজ্বলন আৰু মৈদাম তৰ্পণ কাৰ্যসূচীৰে আৰম্ভ হোৱা এই অনুষ্ঠানত আহোম সভাৰ পতাকা উত্তোলন কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ সভাত ডিব্ৰুগড় জিলা আৰু কেন্দ্ৰীয় সমিতিৰ ভালেসংখ্যক সদস্য উপস্থিত থাকে।

000000

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত উমৈহতীয়া দেৱানী বিধি সম্পৰ্কীয় এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত অংশগ্ৰহণ কৰিব জ্যেষ্ঠ অধিবক্তা আব্দুৰ ৰজ্জাক ভূঞা আৰু অধিবক্তা জ্যোতিস্মিতা শৰ্মাই। শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০৩৬১-

২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰত ফোন কৰি সমল ব্যক্তি দুগৰাকীক বিষয়টো সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামী আৰু অৰূপ কুমাৰ শৰ্মাই। অনুষ্ঠানটিৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ।

oooooo

ডিব্ৰুগড় জিলাৰ চাবুৱাৰ ৰহমৰীয়াত আৰক্ষীয়ে কালি অভিযান চলাই বুজন পৰিমাণৰ ভাং জব্দ কৰাৰ লগতে তিনিজন সৰবৰাহকাৰীক আটক কৰিবলৈ সমৰ্থ হয়। এটা গোপন সূত্ৰৰ ভিত্তিত এই অভিযান চলাই আৰক্ষীয়ে মণিপুৰৰ এজন পুৰুষ আৰু এগৰাকী মহিলাৰ লগতে ৰহমৰীয়াৰ ৰাজপল্লৱ দাস নামৰ এজন যুৱকক আটক কৰে। দীৰ্ঘদিন ধৰি ৰাজপল্লৱ দাস এই অবৈধ ব্যৱসায়ৰ সৈতে জড়িত থকাৰ অভিযোগ উত্থাপিত হৈ আহিছে। আৰক্ষীৰ প্ৰাথমিক অনুসন্ধান অনুসৰি বহিঃৰাজ্যৰ পৰা অহা সৰবৰাহকাৰীৰ সৈতে মিলি ৰাজপল্লৱে অঞ্চলটোত ভাঙৰ বৃহৎ নেটৱৰ্ক চলাই আছিল। আৰক্ষীয়ে ধৃত লোককেইজনক জেৰা অব্যাহত ৰাখিছে।

oooooo

চিৰাং জিলাৰ বিজনী মহকুমাৰ উত্তৰ শিলবাৰীত কালি সংঘটিত এটা পথ দুৰ্ঘটনাত এহাল পতি-পত্নীৰ মৃত্যু হোৱাৰ লগতে তেওঁলোকৰ এটি কণমানি কন্যা সন্তান গুৰুতৰভাৱে আহত হয়। আঘাতপ্ৰাপ্ত শিশুটি বৰ্তমান চিকিৎসাধীন হৈ আছে। শিলবাৰী নিবাসী চি আই এছ্ এফৰ জোৱান ৰাহুল ৰয় আৰু তেওঁৰ পত্নী তথা কন্যা শিশুটি স্কুটীৰে ঘৰলৈ আহি থকাৰ সময়তে বিজনী-শুকলুং পথত এখন চাৰিচকীয়া তীব্ৰবেগী বাহনে তেওঁলোকক মহতিয়াই লৈ যায়। এই ঘটনাত জোৱানজনৰ লগতে তেওঁৰ পত্নী অনামিকা পাটগিৰি থিতাতে নিহত হয়। অৱশ্যে দুৰ্ঘটনা সংঘটিত কৰা বাহনখন ঘটনাস্থলীৰ পৰা পলায়ন কৰা বুলি প্ৰত্যক্ষদৰ্শীয়ে জনাইছে।

oooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা লক্ষ্ণৌৰ একনা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত লক্ষ্ণৌ চুপাৰ জায়েণ্টছে, চেন্নাই চুপাৰ কিংছক ৭ উইকেটত পৰাস্ত কৰে। লক্ষ্ণৌ চুপাৰ জায়েণ্টছে ১৮৮ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৬ অভাৰ চাৰিটা বলতে নিৰ্ধাৰতি লক্ষ্যত উপনীত হয়। মিশ্বেল মাৰ্চে ৩৮টা বলত ৯০ ৰানৰ সুন্দৰ ইনিংছ খেলে। মিশ্বেল মাৰ্চক প্লেয়াৰ অব দ্যা মেচ ঘোষণ কৰা হয়। ইয়াৰ পূৰ্বে চেন্নাই চুপাৰ কিংছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ১৮৭ ৰান সংগ্ৰহ কৰে।

লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে খেলখনত জয়লাভ কৰাৰ পাছতো প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ অন্তিম স্থানত আছে। দলটো ইতিমধ্যে প্লে অফ পৰ্যায়ৰ পৰা বাহিৰ পৰা হৈছে। ইয়াৰ বিপৰীতে চেন্নাই ছুপাৰ কিংছ সম্প্ৰতি ষষ্ঠ স্থানত আছে আৰু দলটোৱে শীৰ্ষ ৪ত প্ৰৱেশৰ চেষ্টা চলাই আছে।

প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

oooooo

অত্যাধুনিক শৈক্ষিক গৱেষণা আৰু বাস্তৱ ক্ষেত্ৰত এ আই প্ৰয়োগৰ সেতু হিচাপে কাম কৰাৰ বাবে অসম সন্তান ড ৰঞ্জিয় আদিত্য কৃষ্ণলৈ পিপল টু ৱাটচ-২০২৬ সন্মান আগবঢ়োৱা হৈছে। **অসমীয়া প্ৰতিদিন** কাকতে বিশ্বৰ এ আই শীৰ্ষ বিজ্ঞানীৰ তালিকাত অন্তৰ্ভুক্ত অসমৰ ৰঞ্জয় আদিত্য কৃষ্ণ শিৰোনামেৰে বাতৰিটো প্ৰকাশ কৰিছে।

পেট্ৰল ডিজেলৰ প্ৰতিলিটাৰত তিনিটকাকৈ দাম বৃদ্ধি হোৱাৰ বাতৰি **দি আছাম ট্ৰিবিউন কাকতৰ** লগতে আজি প্ৰকাশিত প্ৰায়কেইখন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। বাতৰিটোৰ **আমাৰ অসম** কাকতৰ শিৰোনাম- পেট্ৰল ডিজিলসহ সকলো ইন্ধনৰ ব্যাপক দামবৃদ্ধি।

চাউল-দাইলৰ পৰা গাখীৰলৈ প্ৰতিবিধ খাদ্য সামগ্ৰীৰ দাম বৃদ্ধি হোৱাৰ এটা বাতৰি **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অহা ২১ জুনত নীট পৰীক্ষা পুনৰ অনুষ্ঠিত হব। বাতৰিটোক **দ্য টাইমছ অব ইণ্ডিয়া** আৰু **দৈনিক অগ্ৰদূত** কাকতে গুৰুত্ব দিছে।

আবু ধাবিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক বিপুল আদৰণি জনোৱাৰ বাতৰি **দৈনিক জনমভূমি** কাকতৰ লগতে আন আন কাকতসমূহেও আলোকচিত্ৰসহ প্ৰকাশ কৰিছে।

অহা জুলাই মাহৰ প্ৰথম সপ্তাহত অসম বিধানসভাৰ চলিত বিত্তীয় বৰ্ষৰ বাজেট অধিবেশন অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰাৰ বাতৰি **অসমীয়া খবৰ** কাকতে প্ৰকাশ কৰিছে।

বিধানসভাৰ প্ৰটেম অধ্যক্ষ হিচাপে চন্দ্ৰমোহন পাটোৱাৰীয়ে কালি শপত গ্ৰহণ কৰাৰ বাতৰি **দ্য ছেণ্টিনেল** কাকতৰ লগতে আন আন কাকতসমূহেও প্ৰকাশ কৰিছে।

**দৈনিক অসম** কাকতে কাজিৰঙাত দেশৰ প্ৰথমটো উপগ্ৰহ টেগযুক্ত গংগা ছ্ফ্টশ্বেল কাছ মুকলি কৰাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

এতিয়া আহক পুনৰ বাতৰিৰ মাজলৈ উভতি যাওঁ...।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া আৰু বিজুলী-ঢেৰেকনি অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২২ দশমিক ৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম আৰু মেঘালয়ৰ লগতে মিজোৰাম, ত্ৰিপুৰাতো মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে।

০০০০০০

যোৰহাট নিবাসী জ্যেষ্ঠ সংগীত শিল্পী, গিটাৰবাদক তথা অসম কৃষি বিশ্ববিদ্যালয়ৰ কৃষি অৰ্থনীতি বিভাগৰ প্ৰাক্তন অধ্যাপক ৰূপক বেজবৰাৰ কালি দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮০ বছৰ। ৬০ দশকৰ শেষৰ ফালে ৰেইনবো নামৰ এটা বেণ্ড গঠনেৰে সংগীত জীৱন আৰম্ভ কৰা ৰূপক বেজবৰাই তেওঁৰ পত্নী, সুগায়িকা লীনা বেজবৰাৰ সৈতে ৰাজ্যৰ বিভিন্ন মঞ্চত সংগীতৰ অনুষ্ঠান পৰিৱেশন কৰি আদৰ বুটলিছিল। তেখেতৰ মৃত্যুত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

০০০০০০

**সমাপ্ত**